**গৌহাটি উচ্চ ন্যায়ালয়**

(অসম, নাগালেণ্ড, মিজোৰাম আৰু অৰুণাচল প্ৰদেশৰ উচ্চ ন্যায়ালয়)

**ফৌজদাৰী আপীল ৩৯৮/২০১৯**

আনোৱাৰ হুছেইন বৰলস্কৰ আৰু অন্য এজন.......আপিলকাৰীসকল

-বনাম-

অসম ৰাজ্য আৰু অন্য এজন..........প্ৰতিপক্ষসকল

আপীলকাৰীৰ অধিবক্তা : শ্ৰীযুত এ. আহমেদ

প্ৰতিপক্ষসকলৰ অধিবক্তা : শ্ৰীমতী বি. ভূঞা, অতিৰিক্ত লোক অধিবক্তা, অসম

**মহামান্য ন্যায়াধীশ শ্ৰী সুমন শ্যাম**

**মহামান্য ন্যায়াধীশ শ্ৰীযুতা মাৰ্লি ভানকুং**

শুনানিৰ তাৰিখ : ২৬/১০/২০২১ আৰু ২৭/১০/২০২১।

ৰায়দানৰ তাৰিখ : ২৭/১০/২০২১

**ৰায় আৰু আদেশ (মৌখিক)**

**মহামান্য ন্যায়াধীশ শ্ৰী সুমন শ্যাম**

১) আপীলকাৰীসকলৰ হৈ হাজিৰ হোৱা বিদ্বান অধিবক্তা শ্ৰীযুত এ. আহমেদৰ যুক্তি শুনা হ'ল। অসম ৰাজ্য/প্ৰতিপক্ষ নং ১ ৰ হৈ হাজিৰ হোৱা বিদ্বান অধিবক্তা শ্ৰীমতী বি. ভূঞা, অতিৰিক্ত লোক অধিবক্তা,অসময়ে প্ৰদৰ্শন কৰা যুক্তিও শুনা হ'ল। গোচৰীয়া/প্ৰতিপক্ষ নং ২ৰ হৈ কোনোৱেই হাজিৰ হোৱা নাই।

২) ০৭/০৮/২০১৯ তাৰিখে বিদ্বান সত্ৰ ন্যায়াধীশ, হাইলাকান্দীয়ে সত্ৰ আদালতৰ গোচৰ নং ১০৯/২০১৬ত আপীলকাৰী দুজনে মোঃ ফাৰুক উদ্দিন লস্কৰক অন্যায়ভাৱে আবদ্ধ কৰি হত্যা কৰা অপৰাধৰ বাবে ভাৰতীয় দণ্ডবিধিৰ ৩৪১/৩০২/৩৪ ধাৰাৰ অধীনত দোষী সাব্যস্ত কৰি ভাৰতীয় দণ্ডবিধিৰ ৩০২ ধাৰাৰ অধীনত তেওঁলোকৰ প্ৰত্যেককে আজীৱন সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত কৰাৰ লগতে ৫,০০০/-টকাকৈ জৰিমনা বিহে আৰু জৰিমনা অনাদায়ে অতিৰিক্ত দুমাহৰ কাৰাদণ্ডৰ আৰু লগতে ভাৰতীয় দণ্ডবিধিৰ ধাৰা ৩৪১ৰ অধীনত কৰা অপৰাধৰ বাবে তেওঁলোকক এমাহ সাধাৰণ কাৰাদণ্ডৰে দণ্ডিত কৰে। উক্ত ৰায় আৰু আদেশক প্ৰত্যাহ্বান জনাই আপীলকাৰী দুজনে এই আপীল দাখিল কৰিছে।

৩) এই আপীল দাখিল কৰাৰ সংক্ষিপ্ত বিষয়বস্তু তলত দিয়া ধৰণৰ: ০৮/০২/২০১৬ তাৰিখে মোঃ ফাৰিজ উদ্দিন লস্কৰে হাইলাকান্দি থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰ ওচৰত এখন এজাহাৰ দাখিল কৰি জনায় যে, ০৬/০২/২০১৬ তাৰিখে পুৱা প্ৰায় ৯ বজাত তেওঁৰ ভাতৃ মোঃ ফাৰুক উদ্দিন লস্কৰে তেওঁলোকৰ ঘৰৰ পৰা শাক-পাচলিৰ পথাৰলৈ গৈ থকা অৱস্থাত আচামী মোঃ আলতাফ হুছেইন বৰলস্কৰ, মোঃ আনাৰ আলী বৰলস্কৰ, মোঃ নুৰ হুছেইন বৰলস্কৰ আৰু মোঃ জাকিৰ হুছেইন বৰলস্কৰে হাতত দা, লাঠি আদিৰে সজ্জিত হৈ তেওঁলোকৰ পুৰণি আখেজৰ বাবে তেওঁক নিৰ্মমভাৱে মাৰপিট কৰে যাৰ ফলত তেওঁ গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয় আৰু তেওঁৰ ৰক্তক্ষৰণ হয়। সেই সময়ত তেওঁৰ সম্পৰ্কীয় ভাই(Cousin) মোঃ মুস্তাফা আহমেদে তেওঁৰ ভাতৃক বচাবলৈ তালৈ যায় যদিও আচামীসকলে তেওঁকো নৃশংসভাৱে মাৰপিট কৰি গুৰুতৰ জখম কৰে। চিঞৰ-বাখৰ শুনি তেওঁ আন কেইবাজনো লোকৰ সৈতে ঘটনাস্থলীলৈ যায় আৰু আচামীগণৰ কবলৰ পৰা তেওঁলোকক ৰক্ষা কৰে। ইয়াৰ পিছত মোঃ ফাৰুক উদ্দিন লস্কৰ আৰু মুস্তাফাক

গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত অৱস্থাত হাইলাকান্দিৰ এছ. কে. ৰয় অসামৰিক চিকিৎসালয়লৈ লৈ যোৱা হয়। কিন্তু তেওঁৰ ভাতৃ(ফাৰুক)ৰ অৱস্থা অতি সংকটজনক হোৱাৰ বাবে তেওঁক শিলচৰ মেডিকেল কলেজ আৰু হস্পিতাল লৈ প্ৰেৰণ কৰা হয়, য'ত তেওঁ চিকিৎসাধীন হৈ আছে।

৪) এজাহাৰ গ্ৰহণ কৰাৰ পিছত ভাৰতীয় দণ্ডবিধিৰ ধাৰা ৩৪১/৩২৫/৩২৬/৩৪ৰ অধীনত হাইলাকান্দি থানাৰ গোচৰ নং ৬৬/২০১৬ পঞ্জীয়ন কৰা হয়। কিন্তু যিহেতু ভুক্তভোগী শিলচৰ মেডিকেল কলেজ আৰু হস্পিতালত চিকিৎসাধীন হৈ থকা অৱস্থাত মৃত্যুবৰণ কৰে, সেয়েহে ভাৰতীয় দণ্ডবিধিৰ ৩০২ ধাৰা গোচৰটোত সংযোজন কৰা হয়।

৫) আৰক্ষীয়ে বিষয়টো ওপৰত তদন্তৰ আৰম্ভ কৰে আৰু তদন্তৰ সময়ত তদন্তকাৰী বিষয়াই ঘটনাস্থলী পৰিদৰ্শন কৰি ইয়াৰ থুলমূল মানচিত্ৰ অংকণ কৰে, সাক্ষীৰ জবানবন্দি লিপিবদ্ধ কৰে, টান বাঁহৰ টুকুৰাবোৰ জব্দ কৰে আৰু আচামীগণক গ্ৰেপ্তাৰ কৰে। ভুক্তভোগীৰ মৃত্যুৰ পিছত মৃতদেহৰ ওপৰত চুৰৎহাল তৈয়াৰ কৰে আৰু মৃতদেহটো শিলচৰৰ এছ এম চি এইচত মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰা হয়। তদন্তকাৰী বিষয়াই প্ৰেৰণ কৰা মতে সাক্ষী ছামছুদ্দিন লস্কৰ, মুস্তাফা আহমেদ আৰু নুৰুল আলম লস্কৰৰ জবানবন্দি ফৌজদাৰীৰ ১৬৪ নং ধাৰাত আদালতত লিপিবদ্ধ কৰা হয়।

৬) তদন্ত সম্পূৰ্ণ কৰাৰ পিছত তদন্তকাৰী বিষয়াই তিনিজন আচামীৰ যথা– আপীলকাৰী নং ১ মোঃ আনোৱাৰ হুছেইন বৰলস্কৰ, আপীলকাৰী নং. ২ আলতাফ হুছেইন বৰলস্কৰ আৰু আন এজন সহ-অপৰাধী জাকিৰ হুছেইন বৰলস্কৰ বিৰুদ্ধে অভিযোগনামা দাখিল কৰে। কিন্তু নুৰ হুছেইন বৰলস্কৰৰ বিৰুদ্ধে কোনো প্ৰমাণ নোপোৱাৰ বাবে তদন্তকাৰী বিষয়াই তেওঁৰ নামটো গোচৰৰ বিচাৰৰ সন্মুখীন হ'বলৈ

নপঠায়। অভিযোগনামাৰ ভিত্তিত, ভাৰতীয় দণ্ডবিধিৰ ৩৪১/৩০২/৩২৩/৩৪ ধাৰাত আচামী তিনিজনৰ ওপৰত দোষাৰোপন(framing of charge)কৰা হয়। যিহেতু আচামীগণে নিজৰ নিজৰ দোষ স্বীকাৰ নকৰি বিচাৰৰ সন্মুখীন হ'ব বুলি কয়, সেয়েহে বিষয়টোৰ ওপৰত বিচাৰ প্ৰক্ৰিয়া আৰম্ভ হয়।

৭) তিনিজন আচামীৰ ওপৰত অনা দোষাৰোপন অভিযোগ প্ৰমাণ কৰিবলৈ গোচৰীয়া পক্ষই ১৪ জন সাক্ষীক পৰীক্ষা কৰে। ভাৰতীয় দণ্ডবিধিৰ ৩১৩ নং ধাৰাত অভিযুক্ত আচামীগণৰ জবানবন্দি লিপিবদ্ধ কৰা হয় য'ত তেওঁলোকে তেওঁলোকৰ বিৰুদ্ধে উত্থাপিত সকলো অভিযোগ অস্বীকাৰ কৰে। আচামী পক্ষই অৱশ্যে তেওঁলোকৰ হৈ কোনো সাক্ষী দিয়া নাই।

৮) গোচৰীয়া পক্ষই দাখিল কৰা সাক্ষ্য-প্ৰমাণৰ ওপৰত ভিত্তি কৰি বিদ্বান বিচাৰ আদালতে এই অভিমত দিয়ে যে গোচৰীয়া পক্ষই আপীলকাৰী দুজনৰ বিৰুদ্ধে উত্থাপিত অভিযোগসমূহ যুক্তিসংগত সন্দেহৰ বাহিৰত প্ৰতিষ্ঠা কৰাত সফল হৈছে আৰু সেই অনুসৰি, তেওঁলোকক দোষী সাব্যস্ত কৰি ওপৰত উল্লেখ কৰা ধৰণে শাস্তি প্ৰদান কৰে। কিন্তু আচামী জাকিৰ হুছেইন বৰলস্কৰক উপযুক্ত প্ৰমাণৰ অভাৱত খালাচ দিয়া হয়।

৯) গোচৰীয়া পক্ষই দিয়া সাক্ষ্যৰ কথা উল্লেখ কৰি আপীলকাৰীসকলৰ বিদ্বান অধিবক্তা আহমেদে যুক্তি দিছে যে গোচৰীয়া পক্ষৰ সাক্ষীৰ সাক্ষ্যৰ পৰা এইটো স্বতঃস্ফূৰ্ত যে ভুক্তভোগীৰ মৃত্যু সম্পৰ্কে দুটা পৃথক তত্ব গোচৰীয়া পক্ষই উত্থাপন কৰিছে। তাৰে এটা তত্ব মতে আপীলকাৰীসকলে কৰা আক্ৰমণৰ বাবে ভুক্তভোগীৰ মৃত্যুৰ হৈছিল আৰু আনটো তত্বই ভুক্তভোগীয়ে ৮-৯ ফুট উচ্চতাৰ পৰা কাটি থোৱা জোঙা বাঁহৰ ঠাৰিৰ ওপৰত পৰি মূৰত আঘাত পাই দুৰ্ঘটনাজনিতভাৱে মৃত্যু

হোৱাৰ ফালে আঙুলিয়াই দিয়ে। আহমেদ ডাঙৰীয়াই যুক্তি দিছে যে আচামীগণৰ বিৰুদ্ধে অভিযোগটো যুক্তিসংগত সন্দেহৰ বাহিৰত প্ৰতিষ্ঠা কৰাত গোচৰীয়া পক্ষই ব্যৰ্থ হৈছে আৰু সেয়েহে বিবাদিত ৰায়টো আইনৰ দৃষ্টিত বাহল ৰখাৰ যোগ্য নহয়। আপীলকাৰীসকলৰ বিদ্বান অধিবক্তাই আৰু যুক্তি দিয়ে যে যদিহে ভুক্তভোগীৰ মৃত্যুৰ প্ৰকৃত কাৰণ সন্দৰ্ভত সন্দেহ থাকে, তেন্তে এনে সন্দেহৰ লাভালাভ আচামীগণৰ পক্ষে যাব।

১০) আহমেদ ডাঙৰীয়াই আৰু কয় যে গোচৰীয়া পক্ষৰ বিৰোধী সাক্ষী(Hostile Witness) হিচাপে ঘোষণা নকৰা সাক্ষী নং ১ আৰু ৩ য়ে সাক্ষ্যৰ পৰা এইটো প্ৰকাশ পাইছে যে ভুক্তভোগীজন দুৰ্ঘটনাক্ৰমে তলত পৰি আঘাতপ্ৰাপ্ত হৈছিল যাৰ ফলত তেওঁৰ মৃত্যু হৈছিল। এনে সাক্ষ্য গোচৰীয়া পক্ষৰ বাবে এৰাব নোৱাৰা সাক্ষ্য হ'ব। বিদ্বান বিচাৰ আদালতে গোচৰীয়া পক্ষৰ ৮ নং সাক্ষীক এই ঘটনাৰ প্ৰত্যক্ষদৰ্শী হিচাপে গণ্য কৰাত ভুল কৰিছিল বুলি দাবী কৰি আহমেদে যুক্তি দিয়ে যে গোচৰীয়া পক্ষৰ ৮ নং সাক্ষীয়ে এই ঘটনাটো দেখা নাছিল আৰু সেয়েহে, তেওঁক এজন প্ৰত্যক্ষদৰ্শী হিচাপে গণ্য কৰা উচিত নাছিল। এনে পৰি-প্ৰেক্ষিতত আপীলকাৰীসকলৰ বিদ্বান অধিবক্তাই ০৭/০৮/২০১৯ তাৰিখৰ বিবাদিত ৰায় আৰু আদেশ বাতিল কৰি তেওঁৰ মক্কেলসকলক খালাচ কৰি দিয়াৰ বাবে প্ৰাৰ্থনা কৰিছে। তেওঁৰ ওপৰৰ যুক্তিৰ সমৰ্থনত আহমেদ ডাঙৰীয়াই তলত উল্লেখ কৰা গোচৰৰ সিদ্ধান্তসমূহৰ কথা উল্লেখ কৰিছে :-

(ক) **ৰাজা ৰাম বনাম ৰাজস্থান ৰাজ্য (২০০৫) ৫ এছচিচি ২৭২**

(খ) **শ্বৰীফা খাতুন আৰু অন্যান্য বনাম অসম ৰাজ্য আৰু অন্য এজন ২০২০(২) জিএলটি ২৪**

১১)  আনহাতে, শ্ৰীমতী বি. ভূঞা, অতিৰিক্ত লোক অধিবক্তা, অসময়ে আপীলকাৰীৰ অধিবক্তাই দিয়া যুক্তিৰ তীব্ৰ বিৰোধিতা কৰি দাবী কৰিছে যে, গোচৰীয়া পক্ষই পৰ্যাপ্ত সাক্ষীৰে এইটো প্ৰমাণ কৰিছে যে আচামীগণ আৰু ভুক্তভোগী মাজত কাজিয়া হৈছিল আৰু সিহঁতে ভুক্তভোগীক তেওঁৰ শৰীৰৰ গুৰুত্বপূৰ্ণ অংগসমূহতত মাৰপিট কৰে যাৰ ফলত তেওঁ গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয় আৰু অৱশেষত মৃত্যুবৰণ কৰে। তেখেতে আৰু কয় যে নথিত উপলব্ধ সাক্ষ্য-প্ৰমাণৰ পৰা নিঃসন্দেহে এইটো প্ৰতিষ্ঠা হৈছে যে আবেদনকাৰীসকলৰ বাহিৰে আন কোনোৱেই ভুক্তভোগীক মাৰপিট কৰা নাছিল যাৰ ফলত তেওঁৰ মৃত্যু হৈছিল। গতিকে নিম্ন আদালতে আপীলকাৰীসকলক সঠিকভাৱে দোষী সাব্যস্ত কৰি যাৱজ্জীৱন কাৰাদণ্ডৰ শাস্তি প্ৰদান কৰিছে।

১২)  আমি দুয়োপক্ষৰ হৈ হাজিৰ হোৱা বিদ্বান অধিবক্তা দুজনে আগবঢ়োৱা যুক্তিবোৰ বিবেচনা কৰিছো আৰু নথিত থকা সাক্ষ্য-প্ৰমাণবোৰো সাৱধানে পৰীক্ষা কৰিছো। যিহেতু আপীলকাৰীসকলৰ অধিবক্তাৰ মূল যুক্তি এইটোৱেই যে গোচৰীয়া পক্ষই আপীলকাৰীসকলৰ বিৰুদ্ধে উত্থাপিত অভিযোগসমূহ যুক্তিসংগত সন্দেহৰ বাহিৰত প্ৰতিষ্ঠা কৰাত ব্যৰ্থ হৈছে, গতিকে নথিত উপলব্ধ গোচৰীয়া পক্ষৰ সাক্ষ্য-প্ৰমাণসমূহৰ বিষয়ে আমাৰ বাবে চমুকৈ উল্লেখ কৰাটো প্ৰয়োজনীয় হ'ব।

১৩)  আমি নথিত দেখিবলৈ পাওঁ যে এই গোচৰৰ গোচৰীয়া ফাৰিজ উদ্দিন লস্কৰৰ বিচাৰ সমাপ্ত হোৱাৰ পূৰ্বে মৃত্যু হৈছে আৰু সেয়েহে গোচৰীয়াক সাক্ষী হিচাপে পৰীক্ষা কৰিব পৰা নগ'ল। অৱশ্যে গোচৰীয়া পক্ষই এজাহাৰখন প্ৰদৰ্শক ৯ হিচাবে প্ৰমাণ কৰিছে।

১৪)  গাঁওখনৰ স্থানীয় বাসিন্দা আৰু গোচৰীয়াৰ চিনাকি মো: আলতাফ হুছেইন মজুমদাৰক গোচৰীয়া পক্ষৰ ১ নং সাক্ষী হিচাপে পৰীক্ষা কৰা হৈছে। এই সাক্ষীয়ে

কৈছে যে ঘটনাৰ দিনা পুৱা প্ৰায় ৮ বজাত তেওঁ যেতিয়া নিজৰ ঘৰৰ সন্মুখত আছিল, তেতিয়া তেওঁ মানুহৰ পৰা শুনিছিল যে আলতাফ, ফাৰিজ, ছামছুদ্দিন আৰু ফাৰুকৰ মাজত কাজিয়া লাগিছে। সেই কথা শুনি তেওঁ ঘটনাস্থলীলৈ যায় যদিও আচামীগণক তাত নাপালে। বৰঞ্চ তেওঁ ঘটনাস্থলীত ফাৰুক উদ্দিন (ভুক্তভোগী) ক আঘাতপ্ৰাপ্ত অৱস্থাত পৰি থকা অৱস্থাত দেখা পায়। ইয়াৰ পিছতে ফাৰুকক চিকিৎসালয়লৈ নিয়া হয়। তাৰ পাছত, তেওঁ সেই ঠাইৰ পৰা গুচি আহে। পিছদিনা আৰক্ষীয়ে তেওঁৰ জবানবন্দী লিপিবদ্ধ কৰে আৰু জব্দনামা (প্ৰদৰ্শক-১) ত তেওঁৰ চহী লয়।

১৫) জেৰাৰ সময়ত গোচৰীয়া পক্ষৰ ১ নং সাক্ষীয়ে কয় যে তেওঁ শুনিছিল আচামী আলতাফৰ গৰু এটাই ছামছুদ্দিনৰ শাক-পাচলিৰ বাগিচাৰ বেৰ ভাঙি বাগিচাত প্ৰৱেশ কৰাৰ ফলত আচামী আলতাফ আৰু ছামছুদ্দিনৰ মাজত তীব্ৰ বাক-বিতণ্ডা হয়। তেওঁ লগতে শুনিছিল যে এই কাণ্ডৰ ঠিক আগতে মৃতক আৰু তেওঁৰ ভাতৃ ছামছুদ্দিন আৰু ফাৰিজ উদ্দিনে হাতত দা, আৰু লাঠিৰে সজ্জিত হৈ আচামী আলতাফৰ ঘৰলৈ আগবাঢ়ি যোৱা দেখা গৈছিল আৰু বাটত তেওঁলোকে আলতাফক পাই তেওঁক হত্যা চেষ্টা চলাইছিল। আলতাফে পলাবলৈ চেষ্টা কৰাৰ সময়ত উক্ত ব্যক্তিসকলে তেওঁক আক্ৰমণ কৰে। গোচৰীয়া পক্ষৰ ১ নং সাক্ষীয়ে আৰু কয় যে তেওঁ মৃতক ফাৰুকৰ হাতত দা থকা বুলিও শুনিছিল। সাক্ষীজনে লগতে আৰু কয় যে তেওঁ শুনিছিল যে যেতিয়া মৃতকজনে আচামীক মাৰপিট কৰিবলৈ চেষ্টা কৰিছিল তেতিয়া তেওঁ বাঁহৰ ঠাৰিবোৰৰ ওপৰত পৰি মূৰত আঘাত পাইছিল।

১৬) গোচৰীয়া পক্ষৰ ২ নং সাক্ষী খলিল উদ্দিন উক্ত অঞ্চলটোৰ আন এজন বাসিন্দা আৰু তেওঁ আচামীগণৰ লগতে গোচৰীয়াকো চিনি পায়। ২ নং সাক্ষীয়ে

কৈছে যে ফাৰুক আৰু আচামীগণৰ মাজত মাৰপিট হৈছিল, যাৰ ফলত ফাৰুকে আঘাতপ্ৰাপ্ত হৈছিল। পিছত তেওঁক চিকিৎসালয়লৈ লৈ যোৱা হয়। পিছদিনা তেওঁ ঘটনাস্থলীলৈ গৈ তাত আৰক্ষীৰ লোকক দেখা পায়। আৰক্ষীয়ে এটুকুৰা বাঁহ জব্দ কৰি জব্দনামা(প্ৰদৰ্শক-১)ত তেওঁৰ চহী লয়। জেৰাৰ সময়ত ২ নং সাক্ষীয়ে উল্লেখ কৰে যে ফাৰিজ উদ্দিন অৰ্থাৎ মৃতকৰ ভাতৃয়ে তেওঁক ফোনযোগে ঘটনাৰ বিষয়ে অৱগত কৰিছিল। তেওঁ আৰু কয় যে মৃতকজন তেওঁৰ আত্মীয় আছিল আৰু তেওঁ ঘটনাস্থলীলৈ যোৱাৰ সময়ত তাত প্ৰায় ১০০ জন ওচৰ-চুবুৰীয়াক গোট খোৱা দেখিছিল। সেই সময়ত আৰক্ষীৰ জোৱানসকলো তাত উপস্থিত আছিল।

১৭) মো: মুজামিল আলীক গোচৰীয়া পক্ষৰ ৩ নং সাক্ষী হিচাপে পৰীক্ষা কৰা হৈছে। ৩ নং সাক্ষীও এইবুলি কৈছে যে ঘটনাৰ দিনা পুৱা প্ৰায় ৭ বজাত তেওঁ নিজৰ ঘৰত থকাৰ সময়ত তেওঁ এটা কোলাহল শুনি ঘটনাস্থলীলৈ গৈ তাত ফাৰুক মিয়াক দেখা পায়। তেতিয়া তেওঁ শুনিছিল যে আলতাফে কেৰাচিন দোকানলৈ কেৰাচিন আনিব গৈ আছিল। সেই সময়ত ফাৰুকে আলতাফক খেদি গৈছিল। ফলস্বৰূপে ফাৰুক আৰু আলতাফৰ মাজত হতাহতি হয়, যাৰ ফলত ফাৰুক পিছলি কাটি থোৱা বাঁহৰ গুৰিবোৰৰ ওপৰত পৰি যায়। ইয়াৰ পিছত ফাৰুকক চিকিৎসালয়লৈ স্থানান্তৰ কৰা হয় আৰু তাৰ পিছত তেওঁ গম পালে যে ফাৰুক চিকিৎসালয়ত চিকিৎসাধীন হৈ থকা অৱস্থাত মৃত্যু হৈছে।

১৮) জেৰা সময়ত ৩ নং সাক্ষী য়ে স্পষ্টভাৱে উল্লেখ কৰে যে হুলস্থুল শুনি যেতিয়া তেওঁ ওলাই আহিছিল, তেতিয়া তেওঁ দেখিছিল যে ফাৰুকে দালৈ আলটাফক খেদি আছে আৰু সেই সময়ত ফাৰুকৰ ভাতৃসকলো দা আৰু লাঠিৰে সজ্জিত হৈ তেওঁৰ লগত আছিল। ৩ নং সাক্ষী য়ে আৰু কয় যে তেওঁৰ ঘৰৰ পশ্চিম দিশত

এটা ৰাজহুৱা পথ আছে আৰু উক্ত পথটো উত্তৰ-দক্ষিণ দিশৰ পিনে গৈছে। সেই সময়ত যেতিয়া ফাৰুকে আলতাফক দাৰে আঘাত কৰাৰ চেষ্টা কৰে, তেতিয়া সি পিছলি কটা বাঁহৰ ওপৰত পৰি অজ্ঞান হৈ পৰে। ৩ নং সাক্ষী য়ে আৰু কয় যে উক্ত ঘটনাৰ দিনা আলতাফৰ গৰু এটা ছামছুদ্দিনৰ শাক-পাচলিৰ বাগিচাত প্ৰৱেশ কৰিছিল, যাৰ ফলত ছামছুদ্দিনে গৰুটোক কোবাইছিল। এই ঘটনাৰ ফলত ছামছুদ্দিন আৰু আলতাফৰ মাজত তৰ্কাতৰ্কিৰ সৃষ্টি হৈছিল। ইয়াৰ পিছতে ছামছুদ্দিনে নিজৰ ঘৰলৈ গৈ তেওঁৰ ভাতৃহঁতক ঘটনা সন্দৰ্ভত অৱগত কৰে। ইয়াৰ পিছতেই এই ঘটনা সংঘটিত হয়।

১৯) গোচৰীয়া পক্ষৰ ৪ নং সাক্ষী মিজানুৰ ৰেহমান মজুমদাৰ ছামছুদ্দিন লস্কৰৰ ভতিজা হয়। ৪ নং সাক্ষীই কৈছে যে ০৬/০২/২০১৬ তাৰিখে পুৱা প্ৰায় ৭ বজাত যেতিয়া তেওঁ নিজৰ দোকানৰ ওচৰত অৱস্থিত নিজৰ ঘৰত আছিল, তেতিয়া তেওঁৰ খুৰা ছামছুদ্দিনে তেওঁক ফোনযোগে জনাইছিল যে তেওঁৰ সৰু ভাতৃ ফাৰুক উদ্দিন লস্কৰে ই এণ্ড ডি বণ্ডৰ কাষেৰে গৈ থকা সময়ত আলতাফ আৰু আনৱাৰৰ সৈতে তেওঁৰ তীব্ৰ বাক-বিতণ্ডা হয় আৰু তাৰ পিছত, দুয়োজনে ফাৰুক উদ্দিনক মাৰপিট কৰে যাৰ ফলত তেওঁ (ফাৰুক) গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। ৪ নং সাক্ষীয়ে ভুক্তভোগীজনক চিকিৎসালয়লৈ নিবলৈ ছামছুদ্দিনক পৰামৰ্শ দিয়ে আৰু সেই অনুসৰি ভুক্তভোগীজনক অসামৰিক চিকিৎসালয়লৈ লৈ যোৱা হয় যদিও তেওঁৰ আঘাত গুৰুতৰ বিবেচনা কৰি চিকিৎসকে ভুক্তভোগীজনক উন্নত চিকিৎসাৰ বাবে শিলচৰৰ এছ এম চি এইচলৈ নিয়াৰ বাবে পৰামৰ্শ দিয়ে। পিছদিনা অৰ্থাৎ ০৭/০২/২০১৬ তাৰিখে ৰাতিপুৱা প্ৰায় ৯ বজাত তেওঁৰ খুৰা ছামছুদ্দিন লস্কৰে তেওঁক জনাইছিল যে ফাৰুকৰ মৃত্যু হৈছে। জেৰাৰ সময়ত ৪ নং সাক্ষীয়েয উল্লেখ কৰিছে যে তেওঁ এই ঘটনাটো দেখা নাছিল বা ঘটনাস্থলীলৈ যোৱাও নাছিল।

২০) গোচৰীয়া পক্ষৰ ৫ নং সাক্ষী শ্ৰী নুৰুল আলোম লস্কৰ একেখন গাঁৱৰ আন এজন বাসিন্দা আৰু আচামীগণ আৰু গোচৰীয়াৰ চিনাকি। ৫ নং সাক্ষীয়ে সাক্ষ্যত কৈছে যে ০৬/০২/২০১৬ তাৰিখে পুৱা প্ৰায় ১০ বজাত তেওঁ নিজৰ বাসগৃহত থকাৰ সময়তে নিজৰ ঘৰৰ পূব ফালে হুলস্থুল শব্দ শুনি তালৈ যায় আৰু তাত ৪০/৫০ জন লোক গোট খোৱা দেখা পায়। ফাৰুক উদ্দিন লস্কৰ গাঁৱৰ ৰাস্তাত আঘাতপ্ৰাপ্ত আৰু অচেতন অৱস্থাত পৰি আছিল। তেওঁ ফাৰুকৰ মূৰত আঘাত দেখে। তেওঁৰ ভাতিজা মুস্তাফা আহমেদ (গোচৰীয়া পক্ষৰ ১০ নং সাক্ষী) তাত উপস্থিত আছিল আৰু তেওঁৰ মূৰৰ পৰা তেজ ওলাই আছিল। মুস্তাফাক আহমেদক (গোচৰীয়া পক্ষৰ ১০ নং সাক্ষী) সোধাত তেওঁ কয় যে তেওঁ কিবা এটাৰ বস্তুৰ লগত জোৰে খুন্দা খাই আঘাতপ্ৰাপ্ত হয়। ৫ নং সাক্ষীয়ে আৰু উল্লেখ কৰিছে যে ফাৰুকে কেনেকৈ আঘাতপ্ৰাপ্ত হৈছিল সেই সন্দৰ্ভত তেওঁ কোনো অনুসন্ধান কৰা নাছিল। আহত দুয়োজনকে হাইলাকান্দিৰ চিকিৎসালয়লৈ লৈ যোৱা হয় আৰু পিছত ফাৰুকক শিলচৰৰ এছ এম চি এইচলৈ প্ৰেৰণ কৰা হয়। পিছদিনা ৰাতিপুৱা প্ৰায় ৮ বজাত ফাৰুকে মৃত্যুবৰণ কৰে। জেৰাৰ সময়ত ৫ নং সাক্ষীয়ে উল্লেখ কৰিছে যে তেওঁ গাঁৱৰ পথৰ পৰা ১০/১২ ফুট তলত থকা বাঁহনিৰ তলত ফাৰুকক আঘাতপ্ৰাপ্ত অৱস্থাত পৰি থকা পাইছিল। এই সাক্ষীজনে লগতে উল্লেখ কৰিছে যে উক্ত ঠাইত সেই সময়ত ওপৰৰ অংশ কটা বহুত বাঁহ তাত উপলব্ধ আছিল। ৫ নং সাক্ষী মতে, ফাৰুকে হয়তো কোনোবাই ঠেলি দিয়াৰ ফলত মাটিত পৰি আঘাতপ্ৰাপ্ত হৈছিল। তেওঁলোকে আহত ফাৰুকক ঘটনাস্থলীৰ পৰা তুলি লৈ যোৱাৰ সময়তে ছামছুদ্দিন (গোচৰীয়া পক্ষৰ ৮ নং সাক্ষী) অৰ্থাৎ ভুক্তভোগীৰ ভাতৃ ঘটনাস্থলীলৈ আহে। এই সাক্ষীয়ে আৰু কৈছে যে আৰক্ষীৰ দ্বাৰা প্ৰভাৱিত হৈ দণ্ডাধীশৰ আগত তেওঁ নিজৰ

জবানবন্দি লিপিবদ্ধ কৰায় আৰু আৰক্ষীয়ে তেওঁৰ জবানবন্দি লিপিবদ্ধ কৰা নাছিল।

২১) গোচৰীয়া পক্ষৰ ৬ নং সাক্ষী ছামছুল হক বৰলস্কৰে সাক্ষ্যত কৈছে যে উক্ত তাৰিখত পুৱা প্ৰায় ৯/১০ বজাত ফাৰুক উদ্দিনৰ খেৰেৰ ঘৰত তেওঁ দিন হাজিৰা কৰি থকাৰ সময়তে তেওঁ কাম কৰা ঠাইৰ পৰা প্ৰায় এক ফাৰ্লং দূৰত অৱস্থিত কটাখাল নদীৰ পাৰৰ পথটোত হাই-উৰুমি শুনি তেওঁ সেই ঠাইলৈ যায় আৰু তাত ফাৰুকক অচেতন অৱস্থাত মাটিত পৰি থকা দেখে। প্ৰায় ১০/১৫ জন লোকে তেওঁক সেই ঠাইৰ পৰা তুলিবলৈ চেষ্টা কৰি আছিল আৰু পানী ঢালি আছিল। ফাৰুকক চিকিৎসালয়লৈ নিয়ে। সেই নিশাই তেওঁ গম পালে যে তেওঁৰ মৃত্যু হৈছে। মৃতকৰ ভতিজা মুস্তাফাই তেওঁক জনাইছিল যে আচামীগণে ফাৰুকক হত্যা কৰিছে।

২২) গোচৰীয়া পক্ষৰ ৭ নং সাক্ষী ৰাহেনা বেগম ভূঞাই সাক্ষ্যত কৈছে যে ঘটনাৰ দিনা পুৱা প্ৰায় ৯/১০ বজাত তেওঁ হাই-উৰুমি শুনি ঘৰৰ পৰা ওলাই কটাখাল নদীৰ সমীপত থকা ই এণ্ড ডি বান্ধৰ ৰাস্তালৈ যায় আৰু তেতিয়া তাই দেখে যে ফাৰুক উদ্দিন মাটিত পৰি আছে আৰু তাত বহুত মানুহ গোট খাইছে। তেতিয়া তাই অস্বস্তি অনুভৱ কৰি সেই ঠাইৰ পৰা গুচি আহে। আৰক্ষীয়ে তাইৰ জবানবন্দি লিপিবদ্ধ কৰিছিল।

২৩) গোচৰীয়া পক্ষৰ ৮ নং সাক্ষী ছামছুদ্দিন লস্কৰ হৈছে মৃতকৰ জ্যেষ্ঠ ভাতৃ, যাক গোচৰীয়া পক্ষই এই কাণ্ডৰ প্ৰত্যক্ষদৰ্শী হিচাপে পৰীক্ষা কৰিছে। ওপৰত উল্লেখ কৰা অনুসৰি বিদ্বান বিচাৰ আদালতেও গোচৰীয়া পক্ষৰ ৮ নং সাক্ষীক এই ঘটনাৰ সাক্ষী হিচাপে গণ্য কৰিছে। ৮ নং সাক্ষীয়ে আদালতত দিয়া সাক্ষ্যত কৈছে যে ঘটনা দিনা দিনৰ প্ৰায় ১১-৩০ বজাত যেতিয়া তেওঁ নিজৰ ঘৰত আছিল, সেই

সময়ত তেওঁ তেওঁৰ ঘৰৰ পৰা প্ৰায় ৬০ মিটাৰ দূৰত উত্তৰ দিশত থকা এন আৰ পি ৰাস্তাৰ ফালে চিঞৰ-বাখৰ শুনা পায়। তেওঁ তেতিয়া লৰালৰিকৈ ৰাস্তাৰ ফালে যায় আৰু প্ৰায় ২০ মিটাৰ দূৰৰ পৰা তেওঁ আচামী আলতাফ হুছেইন বৰলস্কলৰক এন আৰ পি ৰাস্তাৰ মাজেৰে কাঠৰ টুকুৰা এটা এৰি নিজৰ ঘৰৰ ফালে দৌৰি যোৱা দেখে। তেওঁৰ পিছে পিছে তেওঁৰ আত্মীয় আৰু পৰিয়ালৰ আন সদস্যবোৰে ঘটনাস্থলীৰ ফালে আগবাঢ়ি যায়। তাত উপস্থিত হৈ তেওঁ আচামী আনোৱাৰ হুছেইন বৰলস্কৰে এটা গোটা বাঁহৰ টুকুৰাৰে তেওঁৰ ভাতৃক মাৰপিট কৰা দেখে আৰু তাৰ পিছত, সেই ঠাইৰ পৰা নিজৰ ঘৰৰ ফালে গুচি যায়। সেই ঠাইত উপস্থিত হোৱাৰ লগে লগে তেওঁৰ ভাতৃ ফাৰুক আঘাতপ্ৰাপ্ত আৰু অজ্ঞান অৱস্থাত ৰাস্তাৰ মাটিত পৰি থকা দেখা পায়। ৮ নং সাক্ষীয়ে লগতে কৈছে যে আচামীক বাধা প্ৰদান কৰা তেওঁৰ ভতিজা মুস্তাফা আহমেদ লস্কৰেও (গোচৰীয়া পক্ষৰ ১০ নং সাক্ষী) মূৰত আঘাত পায়।

২৪) জেৰাৰ সময়ত ৮ নং সাক্ষীয়ে কৈছে যে আচামী নুৰ হুছেইনক অজ্ঞানতা আৰু ভুলৰ বাবে এজাহাৰত জড়িত কৰা হৈছিল আৰু সেইবাবেই ভাৰপ্ৰাপ্ত বিষয়াক এফ আই আৰ(FIR) পৰা তেওঁৰ নামটো কৰ্তন কৰাৰ বাবে এখন আবেদন দিয়া হৈছিল। ৮ নং সাক্ষীয়ে এইটোও উল্লেখ কৰিছে যে তেওঁ ঘটনাস্থলী উপস্থিত হৈ তাত তিৰোতা মানুহকে ধৰি ১৫/২০ জন লোক গোট খোৱা দেখিছিল। তাত গোট খোৱা মানুহবোৰে তেওঁৰ ভায়েকক ঘটনাস্থলীৰ পৰা ঘৰলৈ নিয়াৰ লগতে চিকিৎসালয়লৈও স্থানান্তৰিত কৰাত সহায় কৰিছিল। ৮ নং সাক্ষীয়ে তেওঁৰ জেৰাৰ সময়ত আৰু উল্লেখ কৰিছে যে ঘটনাস্থলীত উপস্থিত থকা ১৫/২০ জন লোকৰ ভিতৰত মুস্তাফা আহমেদ লস্কৰ (গোচৰীয়া পক্ষৰ ১০ নং সাক্ষী), নুৰুল আলম লস্কৰ (গোচৰীয়া পক্ষৰ ৫ নং সাক্ষী) আৰু এজন খলিল উদ্দিন লস্কাৰো আছিল

যিসকলে তেওঁৰ আগতেই তাত উপস্থিত হৈছিল। যেতিয়া তেওঁ ঘটনাস্থলীত উপস্থিত হৈ তেওঁৰ ভায়েকৰ ওচৰ পালেগৈ, তেতিয়া তেওঁৰ ভায়েক অচেতন হৈ আছিল। এই সাক্ষীয়ে আৰু কয় যে তেওঁ আচামী আনোৱাৰ হুছেইনক তেওঁৰ ভায়েকক এটুকুৰা গোটা বাঁহৰ টুকুৰাৰে মাৰি থকা দেখিছিল আৰু তাৰ পিছত, তেওঁ নিজৰ ঘৰৰ ফালে আগবাঢ়ি গৈছিল। এই সাক্ষীয়ে অৱশ্যে প্ৰতিঅপক্ষৰ অধিবক্তাই ফাৰুকে পিছলি গৈ পথৰ পৰা ৮–৯ হাত তলত থকা বাঁহৰ জোপোহাত পৰি আঘাতপ্ৰাপ্ত হৈছিল বুলি দাঙি ধৰা উক্তিটো অস্বীকাৰ কৰিছে।

২৫) গোচৰীয়া পক্ষৰ ৭ নং সাক্ষী ডাঃ মুজিবুৰ ৰহমান মাজাৰভুইয়া ০৬/০২/২০১৬ তাৰিখে হাইলাকান্দিৰ এছ. কে. ৰয় অসামৰিক চিকিৎসালয়ত কৰ্তব্যৰত আছিল, যিয়ে মুস্তাফা আহমেদ লস্কৰ (গোচৰীয়া পক্ষৰ ১০ নং সাক্ষী) ক পৰীক্ষা কৰিছিল। ৯ নং সাক্ষীয়ে তেওঁৰ চিকিৎসা প্ৰতিবেদনেৰে (প্ৰদৰ্শক ৫) প্ৰমাণ কৰিছে আৰু আদালতত সাক্ষ্য দি কৈছে যে তেওঁ গোচৰীয়া পক্ষৰ ১০ নং সাক্ষীক পৰীক্ষা কৰাৰ সময়ত তেওঁ মূৰৰ বাওঁফালৰ পেৰিটেল অংশৰ ওপৰত ২ ছে. মি. x ২ ছে. মি. x ২ মি. মি. আকাৰৰ কটা জখম আৰু বুকুৰ ওপৰ অংশত ৩ ছে. মি. x ২ ছে. মি. আকাৰৰ ছালদেদেৰা জখম পাইছিল আৰু লগতে কপালৰ ওপৰত 2 ছে. মি. x ২ ছে. মি. অংশ ওখহি থকা পাইছিল। ৯ নং সাক্ষীৰ মতে, সকলো আঘাত সতেজ, সাধাৰণ আৰু ভোতা বস্তুৰ দ্বাৰা কৰা জখম আছিল।

২৬। গোচৰীয়া পক্ষৰ ১০ নং সাক্ষী শ্ৰী মুস্তাফা আহমেদ লস্কৰ হৈছে সেইজন আহত সাক্ষী যিয়ে আচামী আৰু মৃতকৰ মাজত হোৱা কাজিয়াত বাধা দিয়াৰ চেষ্টা কৰিছিল, যাৰ ফলত তেওঁ নিজে আঘাতপ্ৰাপ্ত হৈছিল যিটো ৯ নং সাক্ষীৰ দ্বাৰা প্ৰমাণিত হৈছে। ১০ নং সাক্ষীয়ে তেওঁৰ সাক্ষ্যত কৈছে যে, ০৬/০২/২০১৬ তাৰিখে,

পুৱা প্ৰায় ১০ বজাত তেওঁ তেওঁৰ ঘৰৰ সন্মুখত থকাৰ সময়তে তেওঁৰ ঘৰৰ উত্তৰ ফালৰ পৰা হুলস্হূল শুনি তেওঁ ঘটনাস্থলীলৈ গৈ দেখে যে আচামী আলতাফে ফাৰুকক খেদি ফুৰিছে আৰু ফাৰুক দৌৰি আছে। সেই সময়ত ফাৰুক মাটিত পৰি যায় আৰু আলতাফে সেই ঠাই এৰি গুচি যায়। ফাৰুকৰ মূৰৰ পৰা বহুত তেজ ওলোৱা দেখি সি চিঞৰ-বাখৰ কৰে। তেওঁৰ সকলো আত্মীয়ই ঘটনাস্থলীলৈ আহি ফাৰুকক হাইলাকান্দি অসামৰিক চিকিৎসালয়লৈ লৈ যায়। ১০ নং সাক্ষীয়ে এইটোও উল্লেখ কৰিছে যে ফাৰুকক মাটিৰ পৰা তুলিবলৈ চেষ্টা কৰি থাকোঁতে বাঁহ এটাই মূৰত লাগি যোৱাৰ ফলতো তেওঁ আঘাতপ্ৰাপ্ত হৈছিল। তেওঁ হাইলাকান্দিৰ অসামৰিক চিকিৎসালয়ত চিকিৎসা গ্ৰহণ কৰিছিল। পিছদিনা ৰাতিপুৱাই গম পালে ফাৰুকৰ মৃত্যু হৈছে। সেই পৰ্যায়ত এই সাক্ষীক বিৰোধী সাক্ষী হিচাপে ঘোষণা কৰা হয়।

২৭) গোচৰীয়া পক্ষই কৰা জেৰাৰ সময়ত এই সাক্ষীয়ে সম্পূৰ্ণ ওলোটা সাক্ষ্য দি কয় যে ঘটনাৰ দিনা কিছুমান মানুহৰ হুলস্থূল শুনি তেওঁ লৰালৰিকৈ ঘটনাস্থলীলৈ যায় আৰু দেখে যে আচামী আলটাফ হুছেইন বৰলস্কৰ, আনোৱাৰ আলী আৰু জাকিৰ হুছেইন বৰলস্কৰে ফাৰুক উদ্দিন লস্কৰক দা আৰু এটা বাঁহৰ টুকুৰাৰে মাৰপিট কৰি আছে। তেওঁ ফাৰুকক বচাবলৈ চেষ্টা কৰা সময়ত আচামীগণৰ এজনে তেওঁৰ মূৰত আঘাত কৰে, যাৰ ফলত তেওঁ চিকিৎসা গ্ৰহণ কৰিবলগীয়া হৈছিল।

২৮) প্ৰতিপক্ষ পক্ষৰ দ্বাৰা তেওঁক জেৰা কৰাৰ সময়ত তেওঁ অন্য ধৰণে কয়। তেওঁ কয় যে, তেওঁ ফাৰুকক( মৃতক) এটা দা লৈ আলটাফকক খেদি যোৱা দেখিছিল। সেই সময়ত আলটাফ সূলভ মূল্যৰ দোকানৰ ফালে গৈ আছিল। ফাৰুকে তেওঁৰ ঘৰৰ সন্মুখত আলতাফক খেদি গৈছিল। আলতাফক খেদি থাকোঁতে ফাৰুকে

পিছলি গৈ ৰাস্তাৰ পৰা প্ৰায় ৭/৮ ফুট তলত বাঁহৰ শিপাৰ তলৰ অংশৰ ওপৰত পৰি যায়। সেই সময়ত আলতাফৰ হাতত কেৰাচিন তেলৰ এটা জাৰ আছিল কিন্তু তাৰ হাতত আন কোনো অস্ত্ৰ নাছিল। বাঁহৰ গুৰিত পৰি তেওঁ আঘাতপ্ৰাপ্ত হৈছিল। সেই সময়ত ছামছুদ্দিন তাত নাছিল। ১০ নং সাক্ষীয়ে এই কথাও উল্লেখ কৰিছে যে তেওঁৰ উপস্থিতিত আৰক্ষীয়ে একো লিখা নাছিল আৰু তেওঁ আৰক্ষীৰ শিকাই দিয়ামতে আৰু ভয়তে দণ্ডাধীশৰ আগত নিজৰ জবানবন্দি দিছিল।

২৯) গোচৰীয়া পক্ষৰ ১০ নং সাক্ষী ডাঃ গুনাজিৎ দাসক ০৭/০২/২০১৬ তাৰিখে শিলচৰৰ এছ এম চি এইচত ফৰেনছিক মেডিচিনৰ সহযোগী অধ্যাপক হিচাপে কৰ্মৰত আছিল। গোচৰীয়া পক্ষৰ ১৬ নং সাক্ষীয়ে ফাৰুক উদ্দিন লস্কৰৰ মৃতদেহৰ মৰণোত্তৰ পৰীক্ষা কৰি মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন (প্ৰদৰ্শক ৭) দাখিল কৰিছিল। গোচৰীয়া পক্ষৰ ১১ নং সাক্ষীয়ে প্ৰদৰ্শক ৭ প্ৰমাণ কৰিছে। মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন অনুসৰি মৃতদেহটোত তলত উল্লেখ কৰা আঘাত পোৱা গৈছে:-

আঘাতবোৰ:-

(১) ৮ চে.মি. আকাৰৰ টেম্প’ৰ’-পেৰিটেল অংশৰ ওপৰত চিলাই কৰা জখম। চিলাই আঁতৰোৱাৰ লগে লগে ৮ চে.মি. x ১ চে.মি. আকাৰৰ কটা জখম পোৱা যায়। নিকটবৰ্তী অংশবোৰৰ (margins) ছালদেদেৰা হৈছে (abraded) আৰু নিকটবৰ্তী কলাজালবোৰ (tissues) থেতেলা খুৰা পোৱা গৈছে।

(২) প্ৰতিবিম্বৰ পিছত দৃশ্যমান হোৱা মূৰৰ দুয়োফালে ছালৰ ডিফিউজড কনটুচন।

(৩) সন্মুখৰ ফালে সোঁ আৰু বাওঁ দুয়োটা পেৰিটেল আৰু টেম্প’ৰেল হাড়ৰ ওপৰত ১০ চে.মি.x ৮ চে.মি. আকাৰৰ ডিপ্ৰেসড কমিনিউটেড ফ্ৰ্যাকচাৰ আৰু লগতে অসিপিটাল হাড় পৰ্যন্ত বিস্তৃত ৰেডিয়াটিং ফ্ৰ্যাকচাৰ ।

(৪) মূৰৰ দুয়োফালে মস্তিষ্কৰ ওপৰভাগত ডিফিউজড চাব-ডুৰেল ৰক্তক্ষৰণ।

(৫) ডিঙিত কোনো বান্ধোন (ligature)ৰ চিন পোৱা নগ’ল আৰু বিচ্ছেদনৰ সময়ত ডিঙিৰ কলাজালবোৰ(tissues) বোৰ সুস্থ পোৱা যায়।

(৬) বক্ষীয় (Thoracic)অংগসমূহ আৰু পেটৰ নাড়ী-ভুৰু সমূহত তেজ জমা হোৱা দেখা যায়।

(৭) বাকী অংগবোৰ সুস্থ বুলি পোৱা যায়।

১১ নং সাক্ষীয়ে য়ে মতামত দিছে যে ওপৰত বৰ্ণনা কৰা ধৰণে মূৰত পোৱা জখমৰ ফলত মৰা-মূৰ্ছা(coma)ত গৈ মানুহজনৰ মৃত্যু হৈছিল। সকলোবোৰ জখম মৃত্যুৰ পূৰ্বৰ আছিল আৰু সেইবোৰ ভোতা বস্তুৰে কৰা প্ৰহাৰ ফলত হৈছিল।

জেৰাৰ সময়ত ১১ নং সাক্ষীয়ে য়ে উল্লেখ কৰিছে যে আঘাতবোৰ পৰি যোৱাৰ ফলত হৈছিল বুলি পোনপটীয়াকৈ ক’ব নোৱাৰি কিন্তু সেয়া হ’ব পাৰে।

৩০) গোচৰীয়া পক্ষৰ ১২ নং সাক্ষী শ্ৰী আব্দুল বাছিত হাইলাকান্দি থানাত আৰক্ষীৰ উপ-পৰিদৰ্শক (এছ আই) আছিল, যিয়ে হাইলাকান্দি থানাৰ গোচৰ নং ৬৬/২০১৬ৰ তদন্তৰ দায়িত্ব পূৰ্বৰ তদন্তকাৰী বিষয়া অৰ্থাৎ গোচৰীয়া পক্ষৰ ১৩ নং সাক্ষীৰ পৰা লৈছিল। গোচৰীয়া পক্ষৰ ১২ নং সাক্ষীয়ে তেওঁৰ সাক্ষ্যত উল্লেখ কৰিছে যে এই বিষয়টো তদন্তৰ দায়িত্ব তেওঁৰ ওপৰত ন্যস্ত কৰা হৈছিল যেতিয়া পূৰ্বৰ তদন্তকাৰী বিষয়া তদন্তটো প্ৰায় সম্পূৰ্ণ কৰি পেলাইছিল। গোচৰীয়া আৰু আন

সাক্ষীক পৰীক্ষা কৰাৰ পিছত তেওঁ আচামী তিনিজনৰ বিৰুদ্ধে অভিযোগনামা দাখিল কৰিছিল। ১২ নং সাক্ষীয়ে অভিযোগনামা প্ৰদৰ্শক–৮ হিচাপে প্ৰমাণ কৰিছে। তেওঁৰ জেৰাৰ সময়ত ১২ নং সাক্ষীয়ে উল্লেখ কৰিছে যে মানচিত্ৰত ‘চি’ চিহ্নৰ অধীনত ঘটনাস্থলী দেখুওৱা হৈছে আৰু ঘটনাস্থলীৰ দুয়োফালে বাঁহনি আছে।

৩১) গোচৰীয়া পক্ষৰ ১৩ নং সাক্ষী শ্ৰী সজল চন্দ্ৰ দেব হাইলাকান্দি থানাত ০৬/০২/২০১৬ অৰ্থাৎ ঘটনাৰ দিনা আৰক্ষীৰ পৰিদৰ্শক হিচাপে কৰ্মৰত আছিল। হাইলাকান্দি থানাৰ গোচৰ নং ৬৬/২০১৬ৰ পঞ্জীয়নৰ পিছত আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াই তেওঁক এই গোচৰৰ তদন্তৰ দায়িত্ব অৰ্পণ কৰে। তদন্তৰ সময়ত তেওঁ গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ বিষয়ে বিতংভাৱে বৰ্ণনা কৰি ১৩ নং সাক্ষীয়ে আদালতত সাক্ষ্যদান কৰিছে। জেৰাৰ সময়ছোৱাত ১৩ নং সাক্ষীয়ে এইটোও নিশ্চিত কৰিছে যে গোচৰীয়া পক্ষৰ ৬ নং সাক্ষী য়ে তেওঁৰ আগত কোৱা নাছিল যে মুস্তাফাই (গোচৰীয়া পক্ষৰ ১০নং সাক্ষী) তেওঁক আচামীগণে ফাৰুকক হত্যা কৰা বুলি জনাইছিল। ১৩ নং সাক্ষীয়ে আৰু কয় যে গোচৰীয়া পক্ষৰ ৮ নং সাক্ষীয়েও তেওঁক কোৱা নাছিল যে তেওঁ আলতাফ হুছেইনৰ আচৰণৰ পৰা উপলব্ধি কৰিছিল যে তেওঁ তাৰ ভাতৃ ফাৰুক উদ্দিন লস্কৰক মাৰপিট কৰি আছিল।

৩২) গোচৰীয়া পক্ষৰ ১৪ নং সাক্ষী শ্ৰী শৰৎ চন্দ্ৰ বৰা শিলচৰৰ ঘুংগূৰ আৰক্ষী চকীৰ উপ পৰিদৰ্শক হিচাপে কৰ্মৰত আছিল। ১৪ নং সাক্ষীক ফাৰুক উদ্দিন লস্কৰৰ মৃতদেহৰ ওপৰত চুৰৎহাল আৰু মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰিবলৈ কোৱা হৈছিল। এই সাক্ষীয়ে সাক্ষ্যত কৈছে যে, মৃতদেহটোৰ ওপৰত কাৰ্যবাহী দণ্ডাধীশ শ্ৰী জগদীশ ব্ৰহ্মই চুৰৎহাল কৰিছিল আৰু প্ৰদৰ্শক ১১ আছিল কাৰ্যবাহী দণ্ডাধীশৰ স্বাক্ষৰ থকা চুৰৎহালৰ প্ৰতিবেদন, আৰু দণ্ডাধীশৰ স্বাক্ষৰটো তেওঁ চিনাক্ত কৰিব পাৰিছিল। ১৪

নং সাক্ষীয়ে আৰু কয় যে মৰণোত্তৰ পৰীক্ষা শিলচৰৰ এছ এম চি এইচত কৰা হৈছিল আৰু তাৰ পিছত মৃতদেহটো মৃতকৰ অভিভাৱকক গতাই দিয়া হৈছিল।

৩৩) ফৌজদাৰী কাৰ্য্যবিধিৰ ৰ ধাৰা ৩১৩ৰ অধীনত লিপিবদ্ধ কৰা আচমীগণৰ জবানবন্দি সমূহ পৰীক্ষা কৰাৰ পিছত আমি পাইছো যে আচামী/আপীলকাৰী নং.২ আলতাফ চৌধুৰীয়ে তেওঁৰ ওপৰত অনা সকলোবোৰ অভিযোগ অস্বীকাৰ কৰে আৰু তেওঁ কয় যে ঘটনাৰ দিনা পুৱা প্ৰায় ৭ বজাত তেওঁৰ গৰুটোৱে ছামছুদ্দিন লস্কৰ অৰ্থাৎ ফাৰুক উদ্দিন লস্কৰৰ জ্যেষ্ঠ ভাতৃৰ শাক-পাচলি বাগিচাৰ বাঁহৰ বেৰখন ক্ষতিগ্ৰস্ত কৰিছিল। তেতিয়া তেওঁ নিজৰ গৰুটো নিজৰ ঘৰলৈ ঘূৰাই আনিবলৈ ল'ৰা এজনক পঠিয়াইছিল। ৰাতিপুৱা প্ৰায় ৮ বজাত তেওঁ ডিলাৰৰ পৰা কেৰাচিন তেল আনিবলৈ গৈ থাকোঁতে ফাৰুকৰ ঘৰৰ সন্মুখত উপস্থিত হোৱাৰ লগে লগে ফাৰুকে দা এটা লৈ তেওঁক মাৰিবলৈ ওলাই আহে। তেওঁ ভয়তে নিজৰ ঘৰৰ ফালে দৌৰ মাৰে। কিছুসময়ৰ পাছত তেওঁ শুনিলে যে ফাৰুক ৰাস্তাত পিছলি গৈ মাটিত পৰি আঘাতপ্ৰাপ্ত হৈছে। ফাৰুকক হস্পিতাললৈ নিছে বুলি তেওঁ শুনা পায় আৰু পিছদিনা তেওঁৰ মৃত্যু হৈছিল। এই আচামীজনে আৰু কয় যে তেওঁ নিৰ্দোষী আৰু তেওঁক মিছাকৈ এই ঘটনাৰ লগত জড়িত কৰা হৈছে।

৩৪) নথিত অনা সাক্ষ্য-প্ৰমাণৰ মূল্যায়নৰ পিছত আমি দেখিবলৈ পাওঁ যে বিদ্বান বিচাৰ আদালতে গোচৰীয়া পক্ষৰ ৮ নং সাক্ষীৰ সাক্ষ্যৰ ওপৰত যথেষ্ট গুৰুত্ব দিছে এই সিদ্ধান্তত উপনীত হবলৈ যে আপীলকাৰীসকলে মৃত ফাৰুক উদ্দিন লস্কৰক এটা বাঁহৰ টুকুৰাৰে মাৰপিট কৰিছিল যাৰ ফলত তেওঁৰ শৰীৰত গুৰুতৰ আঘাত পাইছিল আৰু যাৰ ফলত তেওঁৰ মৃত্যু হৈছিল। কিন্তু ৮ নং সাক্ষীয়ে দিয়া সাক্ষ্য ভালদৰে পঢ়ি আমি দেখিবলৈ পাওঁ যে এই সাক্ষীয়ে আচামী আলতাফ হুছেইন বাৰলস্কৰে ফাৰুক উদ্দিন লস্কৰক মাৰপিট কৰা দেখা বুলি দাবী কৰা নাই। বৰঞ্চ

আলতাফৰ ভংগীমা (আচৰণ)ৰ পৰা তেওঁ এটা অনুমান কৰিছিল আৰু সেই আচৰণে তেওঁৰ মনত বিশ্বাস জন্মাইছিল যে ফাৰুকক আলতাফ হুছেইন লস্কৰে মাৰপিট কৰিছিল। ৮ নং সাক্ষীয়ে নিঃসন্দেহে তেওঁৰ সাক্ষ্যত উল্লেখ কৰিছে যে তেওঁ সহ-আচামী আনোৱাৰ হুছেইন বৰলস্কৰক এটা মোটা বাঁহৰে ফাৰুক উদ্দিন লস্কৰক মাৰপিট কৰা আৰু তাৰ পিছত সেই ঠাই এৰি যোৱা দেখিছিল। কিন্তু ইয়াত মন কৰিবলগীয়া যে এই সাক্ষীয়ে এই কথাও সাক্ষ্যত কৈছে যে যেতিয়া তেওঁ ঘটনাস্থলীত উপস্থিত হৈছিল তেতিয়া তেওঁৰ ভাতৃ ফাৰুক আঘাতপ্ৰাপ্ত অৱস্থাত পথৰ মাটিত পৰি থকা দেখিছিল আৰু তিৰোতা মানুহকে ধৰি তাত তেওঁ প্ৰায় ১৫-২০ জন লোক তাত গোট খাইছিল, যি মানুহবোৰে তেওঁৰ ভাতৃক ঘটনাস্থলী পৰা তেওঁলোকৰ ঘৰলৈ স্থানান্তৰিত কৰাৰ লগতে চিকিৎসালয়লৈও স্থানান্তৰিত কৰাত সহায় কৰিছিল। ভুক্তভোগীক চিকিৎসালয়লৈ স্থানান্তৰ কৰাৰ প্ৰশ্নটো স্পষ্টভাৱে ঘটনাটো সংঘটিত হোৱাৰ পিছতহে উত্থাপন হ'ব, ঘটনাটো সংঘটিত হোৱাৰ আগতে নহয়।

৩৫) ৮ নং সাক্ষীৰ জবানবন্দিৰ পৰা দেখা যায় যে তেওঁ এই ঘটনা সংঘটিত হোৱাৰ পিছত ঘটনাস্থলীত উপস্থিত হৈছিল আৰু সেই সময়লৈকে এন. আৰ. পি. পথৰ পৰা প্ৰায় ৮-৯ ফুট তলত পৰি থকা ফাৰুকক তাত সমবেত হোৱা ব্যক্তিসকলে পথলৈ তুলি আনিছিল। গোচৰীয়া পক্ষৰ ১০ নং সাক্ষীক বিৰোধী সাক্ষী বুলি ঘোষণা কৰা হৈছে। কিন্তু মনত ৰাখিব লাগিব যে ১০ নং সাক্ষী এজন আহত সাক্ষী আৰু ঘটনা সংঘটিত হোৱা ঠাইত তেওঁৰ উপস্থিতিৰ কোনো বিতৰ্ক নাই। দেখা যায় যে তেওঁৱেই এই ঘটনাটো দেখিছিল। যদিও ১০ নং সাক্ষীয়ে গোচৰীয়া পক্ষই চলোৱা তেওঁৰ জেৰাৰ সময়ত কিছুমান স্ব-বিৰুদ্ধ জবানবন্দি দিছে, যাৰ ফলত সাক্ষী হিচাপে তেওঁৰ বিশ্বাসযোগ্যতাৰ বিৰুদ্ধে অভিযোগকৰণ উত্থাপন হৈছিল, তথাপিও, তেওঁৰ সাক্ষ্য লগতে প্ৰতিৰক্ষা পক্ষৰ দ্বাৰা কৰা তেওঁৰ জেৰাৰ পৰা

এইটো প্ৰকাশ পাইছে যে ঘটনা সংঘটিত হোৱাৰ সময়ত ঘটনাৰ স্থানত উপস্থিত থকা আৰু ভুক্তভোগীক উদ্ধাৰৰ চেষ্টা কৰা কৰা ব্যক্তি কেইজনৰ ভিতৰত তেওঁও এজন আছিল আৰু তেওঁ ঘটনাত আহতও হৈছিল। ১০ নং সাক্ষীৰ সাক্ষ্যৰ পৰা স্পষ্টকৈ ওলাইছে যে আলতাফক খেদি যাবলৈ চেষ্টা কৰোঁতে ফাৰুক বাটৰ পৰা ৭-৮ ফুট তলত বাঁহৰ শিপাৰ ওপৰত পিছলি পৰিছিল। ১০ নং সাক্ষীৰ ওপৰত উল্লেখ কৰা সাক্ষ্যই ১নং আৰু ৩নং সাক্ষীয়ে দিয়া সাক্ষ্যক যথাযথভাৱে সমৰ্থন কৰা দেখা যায়।

৩৬) আমি এইটোও দেখিবলৈ পাওঁ যে গোচৰীয়া পক্ষৰ ৫ নং সাক্ষীয়ে স্পষ্টকৈ কৈছে যে, গোচৰীয়া পক্ষৰ ৮ নং সাক্ষী ঘটনাস্থলীত উপস্থিত হৈছিল যেতিয়া তেওঁলোকে আহত ফাৰুকক ঘটনা সংঘটিত হোৱা স্থানৰ পৰা পথলৈ তুলি আনিবলৈ চেষ্টা কৰিছিল। ৫ নং সাক্ষীয়ে এইটোও উল্লেখ কৰিছে যে ১০ নং সাক্ষীক সোধাত তেওঁক তেওঁ কৈছিল যে তেওঁ কিবা এটাত খুন্দা খাই আঘাতপ্ৰাপ্ত হৈছিল। ৫ নং সাক্ষীৰ সাক্ষ্য সামঞ্জস্যপূৰ্ণ আৰু বৈপৰীত্যমুক্ত যেন লাগে আৰু সেয়েহে এই সাক্ষ্য আদালতৰ আস্থা জগাই তোলে। যদি ৫ নং সাক্ষীয়ে দিয়া সাক্ষ্যক বিশ্বাস কৰা হয় তেন্তে স্পষ্ট যে ৮ নং সাক্ষী ঘটনা সংঘটিত হোৱাৰ পিছত আৰু আহত ব্যক্তিজনক ঘটনাস্থলীৰ পৰা চিকিৎসালয়লৈ স্থানান্তৰ কৰাৰ প্ৰক্ৰিয়াত চলি থকাৰ সময়ত ঘটনাস্থলীত উপস্থিত হৈছিল। ৮ নং সাক্ষীয়ে নিজেই তেওঁৰ জেৰাৰ সময়ত উল্লেখ কৰিছে যে যেতিয়া তেওঁ ঘটনাস্থলীত উপস্থিত হয়, তেতিয়া তেওঁৰ ভাতৃ অচেতন আছিল। সেই পৰ্যায়ত ওপৰত উল্লেখিত কোনো সাক্ষীয়ে আচামীগণৰ ঘটনাস্থলীত উপস্থিতিৰ কথা উল্লেখ কৰা নাই। গতিকে ৮ নং সাক্ষীয়ে যে প্ৰকৃততে এই ঘটনা দেখিছিল সেইটো বিশ্বাস কৰাটো টান। ৮ নং সাক্ষীৰ সাক্ষ্যই গোচৰীয়া পক্ষই পৰীক্ষা কৰা আন কোনো সাক্ষীৰ সাক্ষ্যক কোনো সমৰ্থন কৰা নাই।

৩৭) এই গোচৰৰ চিকিৎসা সম্পৰ্কিত সাক্ষ্য-প্ৰমাণে কেৱল ভোতা বস্তুৰে কৰা প্ৰহাৰৰ ফলত ভুক্তভোগীয়ে পোৱা আঘাতৰ ইংগিত দিয়ে আৰু চিকিৎসক অৰ্থাৎ ১১ নং সাক্ষীয়ে মাটিত পৰি যোৱাৰ বাবে ভুক্তভোগীয়ে আঘাত পোৱাৰ সম্ভাৱনা নুই কৰা নাই।

৩৮) নথিত উপলব্ধ সাক্ষ্য-প্ৰমাণৰ পৰা এইটোও প্ৰতিষ্ঠা হৈছে যে ঘটনাৰ স্থানটো প্ৰায় ৭-৮ ফুট উচ্চতাত ই এণ্ড ডি বান্ধৰ ওপৰত নিৰ্মিত উচ্চ পথৰ কাষতে অৱস্থিত আৰু, সেয়েহে, এইটো সম্ভৱ যে আচামীগণক ব্যক্তিসকলক আক্ৰমণ কৰাৰ সময়ত ভুক্তভোগীয়ে নিজেই পিছলি পৰি ৮-৯ ফুট গভীৰতাত তললৈ পৰিব পাৰে আৰু মূৰত আঘাত পাব পাৰে।

৩৯) গোচৰীয়া পক্ষৰ সাক্ষীগণ অৰ্থাৎ গোচৰীয়া পক্ষৰ ১ আৰু ৩ নং সাক্ষীৰ সাক্ষ্যৰ পৰা এইটো স্পষ্ট হৈছে যে ঘটনাৰ দিনা, আচামীগণৰ গৰু এটাই ভুক্তভোগীৰ ভাতৃৰ শাক-পাচলিৰ বাগিচাৰ বেৰ ভাঙি প্ৰৱেশ কৰা ঘটনাক কেন্দ্ৰ কৰি ভুক্তভোগী আৰু আচামীগণৰ মাজত তৰ্কাতৰ্কি সংঘটিত হৈছিল। আচামী আলতাফ হুছেইন বৰলস্কৰে দিয়া জবানবন্দিৰ প্ৰেক্ষাপটত এই সাক্ষীসকলৰ সাক্ষ্যই স্পষ্টকৈ এইটো দেখুৱাইছে যে এই গোচৰত ভুক্তভোগী আৰু তেওঁৰ ভাতৃয়েই আক্ৰমণকাৰী আছিল আৰু ভুক্তভোগী ফাৰুকেই প্ৰকৃততে আলতাফ হুছেইন বৰলস্কৰক আক্ৰমণ কৰিবলৈ চেষ্টা কৰিছিল যেতিয়া তেওঁ কেৰোচিন তেল আনিবলৈ সূলভ মূল্যৰ দোকানলৈ গৈ আছিল। উক্ত বক্তব্যক নুই কৰিবলৈ গোচৰৰ নথিত একোৱেই নাই। যিহেতু ওপৰৰ কাহিনীটো গোচৰীয়া পক্ষৰ সাক্ষীসকলৰ সাক্ষ্যৰ পৰা ওলাইছে, সেয়ে **ৰাজা ৰাম** (উপৰোক্ত)ৰ গোচৰত মাননীয় উচ্চতম ন্যায়ালয়ে নিৰ্ধাৰণ কৰা আইন যিটো এই আদালতে **শ্বৰীফা খাতুনৰ** গোচৰত অনুসৰণ কৰিছিল (উপৰোক্ত) তাৰ প্ৰতি লক্ষ্য কৰিলে এনে প্ৰমাণ যদি প্ৰতিৰক্ষা অধিবক্তাই উত্থাপন কৰে তেন্তে ই গোচৰীয়া পক্ষই বাবে বাধ্যতামূলক হ'ব।

৪০) সেই কোণৰ পৰা চালে আমি এই কথা ধৰি ল’বলৈ বাধ্য হৈছো যে গোচৰীয়া পক্ষই উত্থাপন কৰা প্ৰমাণে দৃঢ়ভাৱে প্ৰকাশ কৰে যে ভুক্তভোগী আৰু আচামীগণৰ মাজত হোৱা তৰ্কাতৰ্কিৰ সময়ত মৃত ফাৰুক উদ্দিন লস্কৰে দুৰ্ঘনাবশতঃ তললৈ পৰি উন্মুক্ত বাঁহৰ ঠাৰিবোৰত লাগি মূৰত আঘাত পাইছিল, যাৰ ফলত তেওঁৰ মৃত্যু হৈছিল। সম্ভৱতঃ এই তৰ্কাতৰ্কিৰ বাবেই ভুক্তভোগী ফাৰুক আৰু আচামী আলতাফৰ মাজত হতাহতি হৈছিল। কিন্তু আচামীগণে প্ৰকৃততে ভুক্তভোগীক হত্যা কৰাৰ উদ্দেশ্যেৰে মাৰপিট কৰা বুলি প্ৰমাণ কৰিবলৈ গোচৰীয়া পক্ষই কোনো প্ৰমাণ দিব পৰা নাই।

৪১) ওপৰোক্ত আলোচনাৰ পৰা আমাৰ মতে ভাৰতীয় দণ্ডবিধি ধাৰা ৩০২ৰ অধীনত আপীলকাৰীসকলৰ বিৰুদ্ধে উত্থাপিত হত্যাৰ অভিযোগ প্ৰমাণ কৰাত গোচৰীয়া পক্ষই ব্যৰ্থ হৈছে।

৪২) ফলত এই আপীল সফল হৈছে আৰু ইয়াক মঞ্জুৰ কৰা হ’ল।

৪৩) আপীলকাৰীসকলৰ দোষী সাব্যস্ত হোৱাটো ইয়াৰ দ্বাৰা বাতিল কৰা হ’ল আৰু তেওঁলোকৰ বিৰুদ্ধে প্ৰমাণৰ অভাৱত তেওঁলোকক দোষমুক্ত কৰা হ’ল।

৪৪) বিদ্বান সত্ৰ ন্যায়াধীশ, হাইলাকান্দিয়ে দিয়া ০৭/০৮/২০১৯ তাৰিখৰ বিবাদিত ৰায় আৰু আদেশত হস্তক্ষেপ কৰা হ’ল।

৪৫) আমাক জনোৱা হৈছে যে আপীলকাৰী আনোৱাৰ হুছেইন বৰলস্কৰ জেলত আছে। সেই হিচাপে আমি ইয়াৰ দ্বাৰা নিৰ্দেশ দিওঁ যে আপীলকাৰী আনোৱাৰ হুছেইন বৰলস্কৰক যদি আন কোনো গোচৰত জেলত ৰখাৰ কৰাৰ প্ৰয়োজনীয় নহয় তেন্তে তেওঁক তৎক্ষণাত জেলৰ পৰা মুকলি কৰি দিয়া হওক। আপীলকাৰী আলতাফ হুছেইন বৰলস্কক তেওঁ জামিনত থকা জামিননামাৰ পৰা মুক্ত কৰা হ’ল।

নিম্ন আদালতৰ নথি ঘূৰাই পঠোৱা হওক।

**ন্যায়াধীশ** **ন্যায়াধীশ**